অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং : ৩৬৫
উত্তৰ দানৰ তাৰিখ –১৫/০৭/২০২৬

*বিষয় :* **জব্ৰ কাৰ্ড সম্পৰ্কে**

বিধায়ক: ডাঃ আচিফ মঃ নাজাৰঃ

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) জব্ৰ কাৰ্ড হিতাধিকাৰীৰ বৰ্তমান ২৫৬ টকাকৈ যি মজুৰি দিয়া হৈ আছে এই মজুৰি বৃদ্ধি কৰা হ'বনে ?

(খ) জব্ৰ কাৰ্ড হিতাধিকাৰী সকলক বছৰত যি ১০০ দিনৰ কৰ্ম সংস্থাপন দিয়া হৈ আছে সেই দিন বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা কৰা হৈছে নেকি ?

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি (MGNREGA)-ৰ অধীনত মজুৰিৰ হাৰ ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ে (Ministry of Rural Development) প্ৰতি বিত্তীয় বৰ্ষৰ বাবে অধিসূচিত (Notified) কৰে। গতিকে, এই মজুৰিৰ হাৰ নিৰ্ধাৰণ বা সংশোধন কৰাৰ কোনো ক্ষমতা ৰাজ্য চৰকাৰৰ নাথাকে।

উল্লেখযোগ্য যে, MGNREGA আঁচনি খন ৩০ জুন, ২০২৬ তাৰিখে বিলুপ্ত কৰা হৈছে আৰু ১ জুলাই, ২০২৬ তাৰিখৰ পৰা ইয়াৰ স্থানত VB G RAM-G (Viksit Bharat-Guarantee for Rozgar and Aajeevika Mission-Gramin) আঁচনি কাৰ্যকৰী কৰা হৈছে। এই নতুন আঁচনিৰ অধীনত অসম ৰাজ্যৰ বাবে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ (১ জুলাই ২০২৬ ৰ পৰা ৩১ মাৰ্চ ২০২৭) বাবে দৈনিক মজুৰিৰ হাৰ ₹৩০০ (তিনিশ) টকা নিৰ্ধাৰণ কৰা হৈছে।

(খ) MGNREGA আইনৰ অধীনত প্ৰত্যেক যোগ্য জব কাৰ্ডধাৰী পৰিয়ালক এক বিত্তীয় বৰ্ষত ১০০ দিনলৈকে মজুৰিভিত্তিক কৰ্মসংস্থাপনৰ অধিকাৰ প্ৰদান কৰা হৈছিল।

কিন্তু চলিত বিত্তীয় বৰ্ষৰ ১ জুলাই, ২০২৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা VB G RAM-G আইনৰ অধীনত এই ব্যৱস্থাৰ সংশোধন ঘটোৱা হৈছে। নতুন কৈ প্ৰৱৰ্তন কৰা VB G RAM-G আইনৰ অধীনত, Gramin Rozger Guarantee Card (GRG) কাৰ্ড প্ৰাপ্ত পৰিয়ালসমূহে এতিয়া বছৰেকত ১২৫ দিনলৈকে নিশ্চিত মজুৰি ভিত্তিক কৰ্মসংস্থাপন লাভ কৰিব।

*******